জাতিৰ সেৱাত উৎসৰ্গিত ৬৩ বছৰ

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত
http://dainik.assamtribune.com

১৮৪ সংখ্যা, ২৭ মাঘ, সোমবাৰ, ১৯৪৬ শক । DAINIK ASAM : Assamese Daily । VOL. 60 NO. 184 । DIBRUGARH, MONDAY, FEBRUARY 10, 2025 । পৃষ্ঠা ১৬ (Page

## ভাষাৰ উন্নতি হ'ব'

### ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহ

াৰ বিদ্যালয়ে মানৱীয় প্ৰমূল্যক গুৰুত্ব দিয়ে। ভাষাক লৈ গৌৰৱ মূহ সমৃদ্ধ হ'লেহে অসমীয়া ভাষাৰ উন্নতি হ'ব।' নগাঁও জিলাৰ অৱস্থিত শতবৰ্ষগৰকা মাজগাঁও উচ্চ বুনিয়াদী বিদ্যালয়ৰ প্ৰাক্তন বিশিষ্ট অতিথিৰ ভাষণত এইদৰে কয় নগাঁও জিলা সাহিত্য সভাৰ ৰৰকটকীয়ে। সন্মিলনৰ অংশ হিচাপে পুৰা উদ্‌যাপন সমিতিৰ তাকা উত্তোলন কৰাৰ লগতে বিদ্যালয় পতাকা উত্তোলন কৰে ৰ পাছতে গোপাল দেৱ মন্দিৰ সমিতিৰ সভাপতি টংকেশ্বৰ জ্যেষ্ঠ নাগৰিক জয়কান্ত শৰ্মাই স্মৃতি তৰ্পণ কৰে। শোভাযাত্ৰা ৰ্মাই। ১০ বজাৰ পৰা প্ৰাক্তন শিক্ষাৰ্থীৰ সন্মিলন আৰু শিক্ষা হয়। বিয়লি অনুষ্ঠিত মুকলি সভাত ১৩ পৃষ্ঠাত চাওক

## বন্ধু শশী শৰ্মাক স্মৰণ

### কলিতাক 'জনকণ্ঠ বঁটা' প্ৰদান

### ্যৰ 'ৰামধেনুৰ ৰং' উন্মোচন



## ডিব্ৰুগড়ত ১৩৫ বছৰীয়া ভাওনা উদ্‌যাপন সমিতিৰ উদ্যোগত সম্বৰ্দ্ধনা



জিলাৰ বাতৰি দিওঁতা

ডিব্ৰুগড়, ৯ ফেব্ৰুৱাৰী ঃ ডিব্ৰুগড় জিলাৰ বৃহত্তৰ বৰপথাৰ কমাৰগাঁও ভাওনা আৰু সংস্কৃতি বিকাশ কেন্দ্ৰৰ উদ্যোগত আয়োজিত ১৩৫ সংখ্যক ভাওনা উদ্‌যাপন সমিতিয়ে আজি অন্যান্য কেইবাগৰাকীও বিশিষ্ট ব্যক্তিৰ লগতে ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াক সম্বৰ্দ্ধনা জনায়। অসমৰ সামাজিক, বৌদ্ধিক তথা বিদ্যায়তনিক জগতত প্ৰতিষ্ঠিত হোৱাৰ লগতে সমাজৰ বিভিন্ন ক্ষেত্ৰত আত্মনিয়োগ কৰি নেতৃত্ব গুণ, সমাজ চেতনা, একনিষ্ঠতা, পৰিচালন দক্ষতা অৰ্জন কৰাৰ বাবেই অধ্যক্ষজনক সম্বৰ্দ্ধনা জনোৱা হয় বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে। অধ্যক্ষগৰাকীয়ে কেৱল আঞ্চলিক পৰিসৰতে আবদ্ধ হৈ নাথাকি ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো সন্মান আৰু প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হোৱাৰ বাবে তেওঁক এই সম্বৰ্দ্ধনা জনোৱা হয় বুলি উল্লেখ কৰিছে। তেওঁৰ নান্দনিক চিন্তা-চেতনা, পৰিবেশ সচেতনতা, সাহিত্য চৰ্চা, সমাজ সংগঠন ১৩ পৃষ্ঠাত চাওক

## ৬০ লাখক সন্তুষ্ট কৰাৰ

## জাৰ কোটি



বিজেপিৰ উদ্যোগত প্ৰাক্ ব

## বিকশিত

## আগন্তুক বাজে

### ৰাজ্যৰ অৰ্থনৈতিক অৱস্থা সুস্থিৰ বুলি দাবী মন্ত্ৰী অজন্তা নেওগৰ

দৈনিক অ
গুৱাহাটী,
ৰাজ্য হিচ
বিধানসভ
নেওগে।

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত

http://dainik.assamtribune.com

১৮৪ সংখ্যা, ২৭ মাঘ, সোমবাৰ, ১৯৪৬শক | DAINIK ASAM : Assamese Daily | VOL. 60 NO. 184 | DIBRUGARH, MONDAY, FEBRUARY 10, 2025 | পৃষ্ঠা ১৬ (Page



## ডিব্ৰুগড়ত ১৩৫ বছৰীয়া

আৰু দেশ আৰু জাতিৰ প্ৰতি আগবঢ়াই যোৱা বৰঙণিৰ বাবে সৰু-বৰ প্ৰায় ২৩ খন গাঁৱৰ ৰাইজৰ উপস্থিতিত ব্যতিক্ৰমী ব্যক্তিত্বৰ বাবে সম্বৰ্দ্ধনা জনাবলৈ পায় আনন্দ আৰু গৌৰৱান্বিত হোৱা বুলিও উদ্‌যাপন সমিতিৰ সভাপতি নিত্যানন্দ গগৈ আৰু সাধাৰণ সম্পাদক ভুৱন দত্তই উল্লেখ কৰিছে। উল্লেখ্য যে অধ্যক্ষগৰাকীয়ে কৰ্মসূৰ্য, দীনবন্ধু, ডিবৰু হিতৈষী, শ্ৰেষ্ঠ অধ্যক্ষৰ দক্ষতা বঁটা, পৰমানন্দ মানসেৱা ৰত্ন বঁটা, সেউজ ৰত্নকে ধৰি ২৮ টাৰো অধিক বঁটা, সন্মানেৰে ইতিমধ্যে সন্মানিত হৈছে। পৃথিৱীৰ আটাইতকৈ শক্তিশালী সংগঠন ৰাষ্ট্ৰসংঘৰ উত্তৰ-পূব সম্পদ কেন্দ্ৰৰ অতি গুৰুত্বপূৰ্ণ পেনেলিষ্টৰ লগতে সমন্বয়কৰ দায়িত্বত থকা অধ্যক্ষগৰাকীয়ে সমগ্ৰ পৃথিৱীৰ বিভিন্ন প্ৰান্তত থকা অসমীয়া লোকসকলক একত্ৰিত কৰিবলৈ গঠন হোৱা 'স্নেহবন্ধন' নামৰ সংগঠনৰ সাধাৰণ সম্পাদকৰ দায়িত্বও নিষ্ঠাসহকাৰে পালন কৰি আহিছে। অধ্যক্ষগৰাকীয়ে স্বচ্ছ ভাৰত মিছনৰ অসমৰ বেণ্ড এম্বেছেদৰ হিচাপেও সেৱা আগবঢ়াইছিল। অধ্যক্ষগৰাকী আজি এইদৰে সম্বৰ্দ্ধিত হোৱাত মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা আৰু কৰ্মচাৰীসকলৰ লগতে ছাত্ৰ একতা সভাৰ সভাপতি প্ৰাঞ্জল তাঁতী আৰু সাধাৰণ সম্পাদক চিন্ময় কলিতাই অভিনন্দন জ্ঞাপন কৰিছে। ইফালে, ভাওনা কাৰ্যসূচীৰ মুকলি সভাত সম্বৰ্দ্ধনা গ্ৰহণ কৰি ডঃ শইকীয়াই কয়, সমাজ পৰিৱৰ্তন কৰিবলৈ হ'লে যাত্ৰা বাটত জীৱনত অনেক প্ৰত্যাহ্বান, বাধা, হস্তক্ষেপ আহিব পাৰে। সকলো প্ৰত্যাহ্বান নেওচি সাহসেৰে আগুৱাই গ'লে জীৱনত সফল হ'ব পাৰি।' পৃথিৱীত কেতিয়াও বাধা বা প্ৰত্যাহ্বানৰ বাবে ৰৈ যোৱাটো উচিত নহয় বুলি তেওঁ কয়। তেওঁ কয়, 'জীৱনত তিতা-মিঠা সকলো অভিজ্ঞতা সহজে গ্ৰহণ কৰি সকলো সমালোচনা, বিতৰ্ক সহ্য কৰি আগুৱাই যাব পৰাজনেই জীৱনত সফল হ'ব পাৰে।' এই মুকলি সভাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক ডঃ গোপাল হাজৰিকা, মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ডঃ বিনোদ বড়া, ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি, বিশিষ্ট সাহিত্যিক জ্যোতি বৰগোহাঁই, ডিব্ৰুগড় সাহিত্য সভাৰ সম্পাদক ৰাতুল বুঢ়াগোহাঁইকে ধৰি বহু ব্যক্তি উপস্থিত আছিল।

ইংৰাজী অথবা আন ভাষালৈ ৰূপান্তৰ কৰিলেহে বিশ্বৰূপ পাব অসমীয়া ভাষাই। জনজাতীয় ভাই-ভনীসকলে অসমীয়া ভাষা শুদ্ধ ৰূপত উপস্থাপন কৰিব পৰাকৈ অসম সাহিত্য সভাই কাম কৰিব লাগিব।' অনুবাদ সাহিত্যৰে ভাষাটোক আগবঢ়াই নিয়াৰ দিশত বিভিন্ন পৰামৰ্শ আগবঢ়ায় উপাচাৰ্য ডঃ ধনপতি ডেকাই। বাইহাটা চাৰিআলি শতদল সাহিত্য সভাৰ নৱনিৰ্বাচিত সভাপতি কৃষ্ণকান্ত কলিতাই ২০২৫-২৭ বৰ্ষৰ বাবে সভাপতিৰ দায়িত্ব গ্ৰহণ অনুষ্ঠান সম্পন্ন হয়। অগ্নি নিৰ্বাপক বাহিনীৰ সঞ্চালক তথা বিশিষ্ট লেখক ডঃ নন্দ সিং বৰকলাই মুখ্য অতিথি হিচাপে দিয়া ভাষণত অসম সাহিত্য সভাৰ দাপোণ নিকা আৰু স্বচ্ছ হৈ থাকিব লাগিব বুলি উল্লেখ কৰি কয় যে কিছু বছৰ ধৰি অসম সাহিত্য সভাৰ প্ৰতি ৰাইজৰ নানা অভিযোগ উঠি আহিছে। সেই কথা অসম সাহিত্য সভাই অনুধাৱন কৰি সংস্কাৰ কৰিব পাৰিব লাগিব। তেওঁ কয়— 'কলিকতা বিশ্ববিদ্যালয় স্থাপন হোৱাৰ সময়ত দেশত কিছুমান নীতি-নিয়ম চলিবলৈ ধৰে। এটা সময়ত অসমখন হাবি-বননিৰে ভৰি আছিল। স্বাধীনতাৰ আগেয়ে অসমৰ মানুহৰ মনৰ পৰিৱৰ্তন হোৱা নাছিল। মানৱ জীৱনৰ আটাইতকৈ সমৃদ্ধিশালী চেতনা হৈছে সাহিত্য। অসমীয়া ছাত্ৰ সন্মিলনীৰ জৰিয়তে অসমীয়া ভাষা-সাহিত্যৰ উত্তৰণ ঘটে। অসম সাহিত্য সভাৰ জন্মৰ লগে লগে অসমৰ মানুহৰ মন-প্ৰাণৰ ব্যাপক পৰিৱৰ্তন ঘটিবলৈ আৰম্ভ কৰে। লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্য সৃষ্টিত মাটিৰ গোন্ধ আছিল। ভক্তিবাদৰ সাহিত্য-চেতনাৰ মূলমন্ত্ৰ হৈছে ভাষা-সাহিত্যৰ উত্তৰণ।